# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 09-08-2026
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

১। দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ৰাজ্যত **হৰ ঘৰ তিৰংগা** অভিযানৰ কাৰ্যসূচী ৰূপায়ণ।

২। শেহতীয়া বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত শিৱসাগৰ, চৰাইদেউ, যোৰহাট, আৰু গোলাঘাট জিলাত আজিৰ পৰা ক্ষয়-ক্ষতিৰ জৰীপ।

৩। বানত ক্ষতিগ্ৰস্ত লোকক ক্ষয়ক্ষতিৰ পৰিমাণ অনুসৰি সৰ্বাধিক চাৰে তিনিলাখ টকালৈ ক্ষতিপূৰণ দিয়া হ'ব বুলি মন্ত্ৰী বিমল বৰাৰ প্ৰকাশ।

*আৰু*

৪। অসম কন্যা অস্মিতা চলিহাৰ কোৰিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ খিতাপ অৰ্জন।

০০০০০

দেশজুৰি **হৰ ঘৰ তিৰংগা** অভিযান আজি আৰম্ভ হৈছে। ১৭ আগষ্টত এই অভিযানৰ সামৰণি পৰিব। এই অভিযানৰ জৰিয়তে ৰাষ্ট্ৰীয় পতাকা উত্তোলন তথা দেশপ্ৰেম, ৰাষ্ট্ৰীয় একতা আৰু ভাৰতৰ সাংস্কৃতিক ঐতিহ্যৰ উদযাপনত অংশ লোৱাৰ বাবে দেশৰ নাগৰিকসকলক উৎসাহিত কৰাৰ লক্ষ্য লোৱা হৈছে। ২০২২ চনত স্বাধীনতাৰ অমৃত মহোৎসৱ উদযাপনৰ অংশ হিচাপে আৰম্ভ কৰা এই অভিযান সম্প্ৰতি দেশৰ সৰ্ববৃহৎ ৰাজহুৱা অংশগ্ৰহণমূলক অভিযানলৈ পৰিণত হৈছে। এই অভিযানে সকলো নাগৰিকক ত্ৰিৰংগ পতাকাক ভাৰতৰ একতা, সন্মান আৰু সামূহিক ৰাষ্ট্ৰীয় পৰিচয়ৰ চিহ্ন হিচাপে উদযাপনৰ বাবে অনুপ্ৰাণিত কৰি আহিছে। এই বছৰ ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ডেৰশ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে হৰ ঘৰ তিৰংগা অভিযানে বিশেষ গুৰুত্ব বহন কৰিছে। অভিযানৰ অংশ হিচাপে দেশৰ বিভিন্ন প্ৰান্তত বন্দে মাতৰম সমবেত কণ্ঠত পৰিৱেশন কৰা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্ততো এই অভিযান ৰূপায়ণ কৰা হৈছে।

চিৰাং জিলা প্ৰশাসনে আজি পুৱা সদৰ কাজলগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা হৰ ঘৰ তিৰংগা যাত্ৰা উলিয়ায়। এই কাৰ্যসূচীত জিলাখনৰ বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

শ্ৰীভূমি জিলাত স্বাধীনতা দিৱস সৈতে সংগতি ৰাখি এই অভিযান ৰূপায়ণ কৰা হৈছে। কাইলৈ শ্ৰীভূমি চহৰত দিনৰ ১০ বজাত ত্ৰিৰংগ পতাকা সমদল উলিওৱা হ'ব। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা আৰম্ভ হ'বলগীয়া এই সমদল আৰৰ্তভৱন হৈ জিলা গ্ৰন্থাগাৰ ভৱনত সামৰণি পৰিব। ইপিনে, অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান আৰু ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ আত্মসহায়ক গোটে প্ৰস্তুত কৰা ৰাষ্ট্ৰীয় পতাকা ১৪ আগষ্ট পৰ্যন্ত জিলাখনৰ চৰকাৰী কাৰ্যালয় আৰু বজাৰ এলেকাৰ ৩৫ টা বিক্ৰী কেন্দ্ৰত পোৱাৰ ব্যৱস্থা কৰা হৈছে। আজিৰে পৰা ১৫ আগষ্টলৈ জিলাখনৰ চৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান আৰু ৰাজহুৱা ভৱনসমূহ ত্ৰিৰংগ পতাকাৰ তিনিটা ৰঙৰ পোহৰেৰে আলোকিত কৰাৰ লগতে বন্দে মাতৰম বিষয়বস্তুৰ ত্ৰিৰংগ আল্পনা আৰু প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। ১২ আগষ্টৰ বিয়লি চাইকেল সমদল, ১৩ আগষ্টত বন্দে মাতৰম বিষয়বস্তুলৈ সাংস্কৃতিক অনুষ্ঠান আৰু ১৪ আগষ্টত বিভাজন আৰু বিভীষিকা বিষয়ক আলোচনা সভা অনুষ্ঠিত হ'ব। ইয়াৰ লগতে মাইগ'ভ প'ৰ্টেলত অনলাইন কুইজ প্ৰতিযোগিতাও অনুষ্ঠিত হৈছে।

কাছাৰ জিলাৰ শিলচৰত আজি এই অভিযানৰ সৈতে সংগতি ৰাখি মটৰ চাইকেল সমদলৰ আয়োজন কৰা হয়। এই সমদলত কাছাৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সঞ্জীৱ কুমাৰ শইকীয়া, অতিৰিক্ত জিলা দণ্ডাধীশ ডেভিদ কুমাৰ বৰাৰ লগতে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ ভালেসংখ্যক বিষয়া-কৰ্মী উপস্থিত থাকে।

০০০০০

অসমত শেহতীয়া বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত শিৱসাগৰ, চৰাইদেউ, যোৰহাট, আৰু গোলাঘাট জিলাত আজিৰে পৰা ক্ষয়-ক্ষতিৰ জৰীপ কৰা হৈছে। প্ৰথম পৰ্যায়ৰ জৰীপ অহা ৩০ আগষ্টলৈ চলিব। শিৱসাগৰ জিলাৰ ডিমৌ সম-জিলা প্ৰশাসনৰ উদ্যোগত আজিৰে পৰা ডিমৌৰ বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহত ক্ষয়-ক্ষতিৰ জৰীপ আৰম্ভ হৈছে। গড়গাঁও পঞ্চায়তৰ দুই নম্বৰ ৰামু গাঁৱৰ পৰা এই কাৰ্যসূচী আৰম্ভ কৰা হয়। সমজিলা আয়ুক্ত লুকুমণি বৰাই প্ৰকাশ কৰা মতে জৰীপৰ বাবে ৮০ গৰাকী চৰকাৰী বিষয়া-কৰ্মচাৰী নিয়োগ কৰা হৈছে। বানত ক্ষতিগ্ৰস্ত বাসগৃহ, পশুধন আৰু অন্যান্য সামগ্ৰীৰ জৰীপ ১৫ দিনৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে বুলি তেওঁ কয়। ৩০ ছেপ্টেম্বৰৰ ভিতৰত ক্ষতিগ্ৰস্তসকলক ক্ষতিপূৰণৰ ধন আদায় দিয়া হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। মন্ত্ৰী বিমল বৰাই শিৱসাগৰৰ নামডাং নৈৰ দলঙৰ সমীপৰ অঞ্চল পৰিদৰ্শন কৰি বানৰ ক্ষয়ক্ষতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে বান ক্ষতিগ্ৰস্ত লোকসকলক চৰকাৰে সৰ্বাধিক তিনি লাখ ৫০ হাজাৰ টকালৈ সাহায্য প্ৰদান কৰিব বুলি জানিবলৈ দিয়ে। বানৰ ফলত বাসগৃহ ক্ষতিগ্ৰস্ত হোৱা লোকসকলে এক লাখ ২০ হাজাৰ টকা সাহায্য হিচাপে লাভ কৰিব বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

*(বাইট ঃ বিমল বৰা)*

মন্ত্ৰী অতুল বৰাই আজি গোলাঘাট জিলাৰ বোকাখাট সমজিলাত আৰম্ভ হোৱা বানৰ ক্ষয়ক্ষতিৰ জৰীপ কাৰ্যৰ তদাৰক কৰে। ইপিনে, কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি শিৱসাগৰ জিলা বিজেপিৰ সহযোগত জিলাখনৰ বান ক্ষতিগ্ৰস্ত অঞ্চললৈ সাহায্য সামগ্ৰী বিতৰণ কৰে। বান প্ৰভাৱিত লোকসকলৰ সহায়ৰ বাবে অসমৰ চাৰিগৰাকী সাংসদে নিজাববীয়াকৈ সাহায্য আগবঢ়াব বুলি তেওঁ উল্লেখ কৰে। যোৰহাট জিলাত ক্ষয়-ক্ষতিৰ জৰীপ সম্বন্ধে উল্লেখ কৰি তেওঁ কয়, যে জিলাখনত ২৮৮ খন গাঁও বানৰ কবল পৰিছে। জিলাখনত এক লাখ ৬৬ হাজাৰৰো অধিক লোক বানৰ ফলত ক্ষতিৰ সন্মুখীন হৈছে বুলি তেওঁ উল্লেখ কৰে।

*(বাইট ঃ মাৰ্ঘেৰিটা)*

স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে কয়, যে বানৰ পৰৱৰ্তী সময়ছোৱাত কৃষকসকলৰ স্বাস্থ্য সুৰক্ষিত ৰখাৰ বাবে বিভিন্ন ঠাইত স্বাস্থ্য শিবিৰ মুকলি কৰা হৈছে। শিৱসাগৰৰ চকীমুখত আজি আয়োজিত এটা শিবিৰত শিশুসকলক হাত পৰিষ্কাৰকৈ ধোৱা সন্দৰ্ভত প্ৰশিক্ষণ দিয়া হয়।

উল্লেখযোগ্য যে, ৰাজ্যখনৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ১২ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানৰ কবলত আছে। বানত ৪৬০ খন গাঁৱৰ ১ লাখ ৪৭ হাজাৰ ৩৭৪ জন লোক প্ৰভাৱিত হোৱাৰ লগতে ১০ হাজাৰ ৫৯৯ দশমিক ৮-৯ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। বানত সম্প্ৰতি মৃত্যু হোৱা লোকৰ সংখ্যা ৯৯ হৈছেগৈ।

০০০০০

পাঠশালা পৌৰসভাৰ উদ্যোগত আজি হৰি মন্দিৰ প্ৰাংগণত এখন তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। **পকীকৰণ-বৰষুণৰ পানী সংৰক্ষণ আৰু ভূ-গৰ্ভস্থ পানী পুনৰ ভৰ্তি হোৱাৰ প্ৰতি এক ডাঙৰ ভাবুকি** শীৰ্ষক বিষয় সন্দৰ্ভত অনুষ্ঠিত প্ৰতিযোগিতাখনত জিলাখনৰ কেইবাখন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত পাঠশালা পৌৰসভাৰ পৌৰপতি, উপ পৌৰপতি, কাৰ্যবাহী বিষয়া আৰু ৱাৰ্ড কমিচনাৰসকলকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। পৌৰসভাৰ এই পদক্ষেপৰ জৰিয়তে বৰষুণৰ পানী সংৰক্ষণ তথা ভূ-গৰ্ভস্থ পানীৰ সুৰক্ষাৰ প্ৰতি জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি হ'ব বুলি আশা কৰা হৈছে।

০০০০০

জল জীৱন মিছনৰ অধীনত ডিব্ৰুগড় জিলাত ৰূপায়িত হৈ থকা বিভিন্ন আঁচনি তথা কামকাজৰ অগ্ৰগতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যে আজি এখন বিশেষ বৈঠক অনুষ্ঠিত হয়। জিলাখনৰ আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত বৈঠকখনত মন্ত্ৰী কৃষ্ণেন্দু পালে অংশগ্ৰহণ কৰে। বৈঠকত জিলাখনৰ বিভিন্ন অঞ্চলত বিশুদ্ধ আৰু সুৰক্ষিত খোৱাপানী যোগান নিশ্চিত কৰাৰ বাবে ৰূপায়িত হৈ থকা প্ৰকল্পসমূহৰ কামৰ অগ্ৰগতি সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। এই প্ৰকল্পসমূহ নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়া হয়। বৈঠকত বিধায়ক প্ৰসন্ত ফুকন, চক্ৰধৰ গগৈ, জিলা আয়ুক্ত, পৌৰ নিগমৰ মেয়ৰকে ধৰি সংশ্লিষ্ট বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

ooooo

অসম কন্যা অস্মিতা চলিহাই কোৰিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ খিতাপ অৰ্জন কৰিছে। অস্মিতাই আজি দক্ষিণ কোৰিয়াৰ আছানত অনুষ্ঠিত ফাইনেলত চীনৰ হান চিয়ান শ্বিক ১৪-২১, ২১-১৪, ২১-১৪ গেমত পৰাস্ত কৰে। প্ৰথমটো গেমত পৰাজিত হোৱাৰ পাছত অস্মিতাই সবল প্ৰত্যাৱৰ্তন ঘটাই আৰু ৫৩ মিনিটত বিজয় সাব্যস্ত কৰি খেলুৱৈ জীৱনৰ প্ৰথমটো বি ডব্লিউ এফ খিতাপ হস্তগত কৰে। অস্মিতাই ইয়াৰ পূৰ্বে ২০২৪ চনত এছিয়া দলীয়া প্ৰতিযোগিতাৰ স্বৰ্ণ পদক অৰ্জন কৰিছিল। ইয়াৰ উপৰি খেলুৱৈগৰাকীয়ে ২০১৯ চনত অনুষ্ঠিত দক্ষিণ এছিয়ান গেমছত মহিলাৰ ছিংগলছ আৰু দলীয় উভয় শিতানত খিতাপ দখল কৰিছিল।

ooooo

**সমাপ্ত**